NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 22-**12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কুৱেইটৰ সৰ্বোচ্চ সন্মান **দি অৰ্ডাৰ অব মুবাৰক অল-কবিৰে**ৰে সন্মানিত কৰা হৈছে।

২। ভাৰত আৰু কুৱেইটৰ দ্বিপাক্ষিক সম্পৰ্ক কৌশলগত মিত্ৰতালৈ উন্নীত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে আমিৰ শ্বেইখ মেছাল অল-আহমদ অল-জাবেৰ অল-ছাবাহৰ সৈতে হোৱা বৈঠকৰ পাছত প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাত ৬৬৮ কোটি ৩৯ লাখ টকা ব্যয় সাপেক্ষ ১৩ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৪। চলিত মাহত বিদেশী বিনিয়োগকাৰীয়ে ভাৰতীয় মূলধনী বজাৰত ২৬ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগ কৰে।

***আৰু***

৫। বৰোডৰাত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া এদিনীয়া আই চি চি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ৩১৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি কুৱেইটত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি দেশখনৰ সৰ্বোচ্চ সন্মান দ্যা অৰ্ডাৰ অব মুবাৰক অল-কবিৰেৰে সন্মানিত কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এয়া বহিঃৰাষ্ট্ৰৰ পৰা প্ৰধানমন্ত্ৰীগৰাকীয়ে লাভ কৰা বিংশ সন্মান। কুৱেইটে আগবঢ়োৱা এই সন্মান বিভিন্ন ৰাষ্ট্ৰৰ মুৰববী, বিদেশী প্ৰতিনিধি আৰু বিদেশৰ ৰাজ পৰিয়ালৰ সদস্যলৈ বন্ধুত্বৰ চিন স্বৰূপে আগবঢ়োৱা হয়। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই সন্মান ইয়াৰ পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টন, জৰ্জ বুশ্ব আৰু ব্ৰিটেইনৰ ৰাজকুমাৰ চাৰ্লছলৈ আগবঢ়োৱা হৈছিল।

উল্লেখযোগ্য যে, চাৰি দশকৰো অধিক কাল পাছত অৰ্থাৎ ১৯৮০ চনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ পাছত ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে শ্ৰী মোদী দেশখনত উপস্থিত হৈছে। অৰ্থনৈতিক দিশত আধুনিকীকৰণ আৰু বৈচিত্ৰ্যৰে সামগ্ৰীক ভাবে অগ্ৰগতি লাভ কৰা উফ-সাগৰীয় ৰাষ্ট্ৰ কুৱেইটৰ সৈতে ভাৰতৰ শক্তিশালী সহযোগিতাৰ সম্পৰ্ক আছে। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে এই পাৰস্পৰিক সহযোগিতা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা গৈছে। উল্লেখযোগ্য যে ভাৰতৰ আৰু কুৱেইটৰ মাজত ২০২৩-২৪ বিত্তিয় বৰ্ষত দ্বিপাক্ষিক বাণিজ্য ১০ বিলিয়ন ডলাৰৰো অধিক হৈছেগৈ।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কুৱেইটৰ আমিৰ শ্বেইখ মেছাল অল-আহমদ অল-জাবেৰ অল-ছাবাহৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাই ভেষজ, তথ্যপ্ৰযুক্তি, বিত্তীয় প্ৰযুক্তি, আন্তঃগাঁথনি আৰু নিৰাপত্তাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ সহযোগিতাৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰত আৰু কুৱেইটৰ দ্বিপাক্ষিক সম্পৰ্ক, কৌশলগত মিত্ৰতালৈ উন্নীত হৈছে। সমাগত সময়ত এই মিত্ৰতা অধিক ত্বৰান্বিত হ'ব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। দুয়োখন দেশৰ মাজৰ বন্ধুত্বপূৰ্ণ তথা শক্তিশালী ঐতিহাসিক সম্পৰ্কক সুঁৱৰি নেতা দুগৰাকীয়ে দ্বিপাক্ষিক সম্পৰ্ক অধিক গভীৰ কৰি তোলাৰ লগতে সম্প্ৰসাৰিত কৰাৰ বাবে তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতা সুনিশ্চিত কৰে। কুৱেইটত থকা ১০ লাখতকৈও অধিক ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ কল্যাণ সুনিশ্চিত কৰাৰ বাবে শ্ৰী মোদীয়ে তেওঁক ধন্যবাদ জ্ঞাপন কৰে। কুৱেইটৰ আমীৰ গৰাকীয়েও দেশখনৰ বিকাশত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ বৰঙণিক প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০৩৫ চনৰ বাবে কুৱেইটে গ্ৰহণ কৰা বিশেষ লক্ষ্য পূৰণৰ উদ্দেশ্যে দেশখনে লোৱা পদক্ষেপৰ শলাগ লোৱাৰ লগতে চলিত মাহৰ আগভাগত উপ-সাগৰীয় সহযোগিতা পৰিষদৰ শীৰ্ষ সন্মিলনৰ সফল আয়োজনৰ বাবেও আমীৰ গৰাকীক অভিনন্দন জ্ঞাপন কৰে। আৰবীয়, উপ-সাগৰীয় কাপ প্ৰতিযোগিতাৰ কালিৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গেষ্ট অব অনাৰ হিচাপে আমন্ত্ৰণ জনোৱাৰ বাবে তেওঁ কৃতজ্ঞতা প্ৰকাশ কৰে। কুৱেইটৰ আমীৰ গৰাকীয়েও কুৱেইট তথা উপ-সাগৰীয় অঞ্চলৰ গুৰুত্বপূৰ্ণ মিত্ৰদেশ হিচাপে ভাৰতৰ ভূমিকাৰ শলাগ লয়।

০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ত্ৰিপুৰাত ৬৬৮ কোটি ৩৯ লাখ টকা ব্যয় সাপেক্ষ ১৩ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। সেই উপলক্ষে ঢলাই জিলাৰ মাছুৰাইপাৰাত আয়োজিত এখন জনসভাত দিয়া ভাষণত শ্ৰী শ্বাহে ব্ৰু জনগোষ্ঠীৰ লোকসকলক সংস্থাপনৰ বিষয়টো নিষ্পত্তি নকৰাৰ বাবে পূৰ্বৰ কমিউনিষ্ট দলৰ চৰকাৰখনক সমালোচনা কৰে। তেওঁ কয়, যে বিজেপি নেতৃত্বাধীন চৰকাৰ ২০১৮ চনত শাসনলৈ অহাৰ পাছত এই জনগোষ্ঠীটোৰ ৪০ হাজাৰ লোকৰ সংস্থাপনৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰি বিষয়টো নিষ্পত্তিৰ দিহা কৰা হয়।

গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে কমিউনিষ্টসকলে নিজকে দৰিদ্ৰ লোকৰ ত্ৰাণকৰ্তা আখ্যা দিয়ে যদিও ব্ৰুসকলৰ যন্ত্ৰণাক উপলব্ধি কৰিবলৈ তেওঁলোক সমৰ্থ নহ'ল। শ্ৰী শ্বাহে কয়, যে চৰকাৰে ৰাজ্যখনৰ বিভিন্ন জিলাৰ ১১ খন গাঁৱত ব্ৰু জনগোষ্ঠীৰ লোকসকলক সংস্থাপিত কৰাৰ বাবে ৯০০ কোটি টকা ব্যয় কৰিছে। জনগোষ্ঠীটোৰ লোকসকল বিশুদ্ধ খোৱাপানী, বিদ্যুৎ সংযোগ, বুনিয়াদী শিক্ষা আৰু স্বাস্থ্য সেৱাৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ ভীষন অসুবিধাৰ সন্মুখীন হৈ আহিছিল বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে উপযুক্ত সংস্থাপনৰ পাছত ব্ৰুসকলে খোৱাপানী, অনাময়, বিদ্যুৎ সংযোগ, উপযুক্ত শিক্ষা আৰু নিয়োগৰ সুবিধা লাভ কৰিছে।

০০০০০০০০

অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে বিমান বন্দৰত উৰান যাত্ৰী কেফে মুকলি কৰা ঘোষণাই বিমান যাত্ৰীসকলক বৃহৎ সকাহ দিছে। এই কেফেসমূহত খাদ্য আৰু পানীৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীসমূহ তুলনামূলকভাৱে কম মূল্যত উপলব্ধ হ'ব। ইতিমধ্যে কলকাতা বিমান বন্দৰত এই ধৰণৰ প্ৰথমখন কেফে পৰীক্ষামূলকভাৱে মুকলি কৰা হৈছে। এই কেফেখনৰ সফলতাৰ পাছৰ পৰ্যায়ত দেশৰ অন্যান্য বিমান বন্দৰসমূহতো এই পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি ভাৰতীয় বিমান বন্দৰ প্ৰাধীকৰণে সদৰি কৰিছে।

০০০০০০০০

চলিত মাহত বিদেশী বিনিয়োগকাৰীয়ে ভাৰতীয় মূলধনী বজাৰত ২৬ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগ কৰে। তথ্য অনুসৰি বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগকাৰীয়ে ভাৰতীয় ইকুইটি বজাৰত ২১ হাজাৰ ৭৮৯ কোটি টকা আৰু ঋণৰ বজাৰত ৪ হাজাৰ ৬৪৬ কোটি টকা বিনিয়োগ কৰি ভাৰতীয় মূলধনী বজাৰত মুঠ বিনিয়োগ ২৬ হাজাৰ ৪৩৫ কোটি টকালৈ বৃদ্ধি কৰে। বিগত কেইমাহমানত ধনৰ ব্যাপক বহিঃগমনৰ পাছত এই সফলতা দেখা গৈছে। যোৱা নৱেম্বৰ মাহত বিদেশী বিনিয়োগৰাকীসকলে ইকুইটি বজাৰৰ পৰা ২১ হাজাৰ ৬১২ কোটি টকা আৰু অক্টোবৰ মাহত ৯৪ হাজাৰ ১৭ কোটি টকা ওভতাই নিছিল। আকৰ্ষণীয়ভাৱে ছেপ্তেম্বৰ মাহত ইকুইটি বজাৰত বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগ ৯ মাহৰ ভিতৰত সৰ্বাধিক ৫৭ হাজাৰ ৭২৪ কোটি টকালৈ বৃদ্ধি পাইছিল। চলিত বৰ্যত এতিয়ালৈ বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগকাৰীয়ে ইকুইটি ৬ হাজাৰ ৭৭০ কোটি আৰু ঋণৰ বজাৰত এক লাখ ১১ হাজাৰ ৭০৪ কোটি টকা বিনিয়োগ কৰাৰ ফলত চলিত বছৰত ভাৰতীয় মূলধনী বজাৰত মুঠ বিনিয়োগ প্ৰায় এক লাখ ২০ হাজাৰ কোটি টকা হৈছেগৈ।

০০০০০০০০

শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে আজি কেৰালাত ৰূপায়িত হৈ থকা শক্তি আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনামূলক এখন বৈঠকত অধ্যক্ষতা কৰে। থিৰুৱানন্তপুৰমত অনুষ্ঠিত এই বৈঠকখনত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপী, বিদ্যুৎ বিভাগৰ ৰাজ্য মন্ত্ৰী কে কৃষ্ণ কুট্টীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়ববীয়া উপস্থিত থাকে। শ্ৰী মনোহৰ লালে সামাজিক মাধ্যম এক্সৰ জৰিয়তে সদৰি কৰা অনুসৰি পৰ্যালোচনামূলক বৈঠকখনত জলবিদ্যুৎ প্ৰকল্পৰ উন্নয়ন, শক্তি সঞ্চয়, কাৰ্যকৰিতাৰ ক্ষেত্ৰৰ অন্তৰায়, ৰাষ্ট্ৰীয় তাপবিদ্যুৎ শক্তি নিগমৰ-শক্তি ক্ৰয় চুক্তিসমূহ শক্তিশালী কৰা, উচ্চ ক্ষমতা সম্পন্ন প্ৰত্যক্ষ বিদ্যুৎ যোগান ব্যৱস্থাসমূহ সক্ৰিয় কৰাকে ধৰি শক্তি সন্দৰ্ভত বিভিন্ন আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী আবাস যোজনা নগৰীয়া দ্বিতীয় পৰ্যায়ৰ অভিযান, অম্ৰুত যোজনা, স্বচ্ছ ভাৰত অভিযানৰ দ্বিতীয় সংস্কৰণ, বৈদ্যুতিক বাহনৰ উন্নয়নকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আঁচনিৰ প্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। পাছত শ্ৰী মনোহৰ লালে মুখ্যমন্ত্ৰী পিনাৰায়ী ৰিজয়নকো সাক্ষাৎ কৰে। মন্ত্ৰীগৰাকীয়ে কাইলৈ কোচি ভ্ৰমণ কৰাৰ লগতে জলপৰিবহণ সেৱাসমূহৰ কাৰ্যকৰিতা পৰ্যালোচনা কৰিব।

০০০০০০০০

গ্ৰাহক পৰিক্ৰমা বিভাগে চলিত বছৰৰ ৰাষ্ট্ৰীয় গ্ৰাহক দিৱসৰ সৈতে সংগতি ৰাখি অহা মঙলবাৰে জাগো গ্ৰাহক জাগো এপ, জাগৃতি এপ আৰু জাগৃতি ডেশ্বব'ৰ্ড মুকলি কৰিব। এই এপ্লিকেছনসমূহে কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধীকৰণ অৰ্থাৎ চি চি পি এ অসাধু উপায় অৱলম্বনৰ বিৰুদ্ধে নিজাববীয়াকৈ কাৰ্যপন্থা গ্ৰহণত সহায় কৰিব।

০০০০০০০০

ৰাছিয়াৰ কামচাট্‌কা উপদ্বীপত নিৰুদ্দেশ হোৱা An-2 লাইট বিমানখন আটাইকেইগৰাকী যাত্ৰীসহ উদ্ধাৰ কৰা হৈছে। বিমানখনৰ তিনিওগৰাকী যাত্ৰী জীৱিত অৱস্থাত উদ্ধাৰ হোৱা বুলি সদৰী কৰি স্থানীয় কৰ্তৃপক্ষই কয়, যে কামচাট্‌কাৰ Mi-8 হেলিকাপ্তাৰৰ জৰিয়তে যাত্ৰীসকলক উদ্ধাৰ কৰি মিলকোভচকায়া জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৰাছিয়াৰ যুক্তৰাষ্ট্ৰীয় বিমান পৰিবহণ সংস্থাই প্ৰকাশ কৰা অনুসৰি আজি দিনৰ ভাগত তুন্দ্ৰৱায়া

পৰ্বতৰ সমীপত নিৰুদ্দিষ্ট বিমান তথা যাত্ৰী কেইগৰাকীক উদ্ধাৰ কৰা হয়। উল্লেখযোগ্য যে মিল্ক্ভৰ পৰা অ'চ'ৰা অভিমুখী বিমানখন যোৱা বৃহস্পতিবাৰে সন্ধানহীন হোৱাৰ পাছত উদ্ধাৰ অভিযান চলাই থকা হৈছিল।

oooooooo

বড়োডৰাত অনুষ্ঠিত মহিলাৰ তিনিখনীয়া এদিনীয়া আই চি চি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি প্ৰথমখন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ৩১৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৩১৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১৮ অভাৰত ৭ টা উইকেট হেৰুৱাই ৫৩ ৰান সংগ্ৰহ কৰি খেলি আছিল।

oooooooo

বেংগালুৰুত অনুষ্ঠিত বেডমিণ্টনৰ জ্যেষ্ঠ শাখাৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলৰ মহিলাৰ একক শিতানত পূৰ্বৰ ছেম্পিয়ন অনমোল খাৰ্বকে ধৰি আন ৫ গৰাকী খেলুৱৈ পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। অলপতে অনুষ্ঠিত গুৱাহাটী মাষ্টাৰ্চ ছুপাৰ হাণ্ড্ৰেড প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হোৱা অনমোলে দ্বাদশ বাছনিৰ খেলুৱৈ শ্ৰীয়াংশি ৱালিছেট্টীৰ হাতত ১২-২১, ১৫-২১ৰ ব্যৱধানত পৰাজিত হয়। আনহাতে ষোড়শ বাছনিৰ খেলুৱৈ তাছনিম মীৰে শীৰ্ষ বাছনিৰ খেলুৱৈ আকৰ্ষি কাশ্যপক ২১-১৯, ২১-১৭ৰ ব্যৱধানত পৰাস্ত কৰে।

oooooooo

সমাপ্ত